بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## যুদ্ধ আৰু অভিযানৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা তথা বৰ্তমান যুদ্ধ পৰিস্থিতিৰ উদ্ধৃতিত দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৯ মে ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيْطَانِ الرَّجِيمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ ۔ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, মুতাৰ বিস্তাৰিত বিৰৰণ এইদৰে বৰ্ণনা আছে যে হজৰত খালিদ বিন অলিদে বৰ্ণনা কৰিছে যে মুতাৰ যুদ্ধৰ দিনা মোৰ ওচৰত ন খন তৰোৱাল ভাঙি গৈছিল, কেৱল এটা ইয়ামিনৰ বহল তৰোৱাল মোৰ হাতত ৰৈ গৈছিল। এই বৰ্ণনাৰ পৰা জানিব পৰা যায় যে মুছলমান সকলে পৌত্তলিক সকলক ব্যাপক সংখ্যাত হত্যা কৰিছিল নতুবা পৌত্তলিক সকলৰ পৰা মুক্তি নাপালেহেঁতেন। মুছলমান সকলৰ সংখ্যা আছিল তিনি হাজাৰ আৰু পৌত্তলিক সকলৰ সংখ্যা আছিল দুই লাখতকৈ অধিক।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে যিবোৰ কঠিন সমস্যাৱলী, কিছুমান লোকসকলে সেইবোৰক বুজি পায় আৰু কিছুমানে সেয়া বুজি নাপায়। তেতিয়া এইটো আৱশ্যক হয় যে আন আন লোক যিসকলে অৱগত তেওঁলোকক এই সমস্যাৱলী বুজোৱা উচিত, এই কাৰণেই যে তেওঁলোকে নিজে গভীৰভাৱে চিন্তা নকৰে বা তেওঁলোকৰ হৃদয় কোনো পাপৰ কাৰণে খোদা তা'লাৰ সন্তুষ্টি অৰ্জন কৰাৰ বাবে প্ৰস্তুত নহয়। এই কঠিন বিষয়াৱলী সাধাৰণতে দুই ধৰণৰ ঃ-

এটা শৈক্ষিক প্ৰবন্ধ যি সূক্ষ্ম দৰ্শনৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে। উদাহৰণস্বৰূপ, মানুহৰ প্ৰতিটো কামতে খোদা তা'লাৰ একত্ববাদৰ প্ৰভাৱ পৰে সেয়ে এজন সত্যবাদীৰ বাবে প্ৰয়োজনীয় হ'ব যে এই সমস্যাৱলী অইনক বুজোৱাৰ বাবে কোনো আলিমৰ প্ৰয়োজন। প্ৰতিজন ব্যক্তিয়ে ইয়াৰ গূঢ়াৰ্থ বুজি নাপায়। ইমানখিনি বুজি পায় যে কোৰআন কৰিমে অইন কোনো খোদাক স্বীকাৰ নকৰে। দ্বিতীয়তে এই অসুবিধা সমূহ এনে ক্ষেত্ৰত প্ৰকাশ পায় যেতিয়া সঠিক জ্ঞান নাথাকে কিন্তু এনে ভাষাৰ দ্বাৰা বৰ্ণনা কৰা হয় যাক সাদৃশ্য বা উপমা বুলি কোৱা হয়। জনসাধাৰণে এই ভাষাক নুবুজাৰ কাৰণে এনেকুৱা অৰ্থ কৰে যিবোৰ বাস্তৱৰ ওপৰত আধাৰিত নহয়। উদাহৰণস্বৰূপ, ৰছুলে কৰিম (ছাঃ)ৰ যুগত এটা ঘটনা সংঘটিত হয়। ছিৰিয়াৰ যুদ্ধত ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া হজৰত জাফৰ (ৰাঃ)ৰ শ্বাহাদতৰ কথা বৰ্ণনা কৰে যে জাফৰৰ শ্বাহাদত বৰণ কৰাত কোনোবাই ক্ৰন্দন কৰা নাই। তেখেত (ছাঃ)ৰ উদ্দেশ্য এইটো নাছিল যে লোকসকলে তেখেতৰ শ্বাহাদতৰ ওপৰত ক্ৰন্দন কৰক, বৰঞ্চ এইটো আছিল দুখ প্ৰকাশ কৰাৰ এটা উপমা যে আমাৰ ভাই মৃত্যু বৰণ কৰিছে আৰু আমি ধৈৰ্য ধাৰণ কৰি আছো। কিন্তু আনছাৰ সকলে ইয়াৰ বাহ্যিক অৰ্থ কৰি মহিলাসকলক হজৰত জাফৰ (ৰাঃ)ৰ ঘৰলৈ পঠিয়াই দিয়ে যিসকলে তাতে গৈ ক্ৰন্দন কৰা আৰম্ভ কৰি দিয়ে। তেখেত (ছাঃ)য়ে যেতিয়া এই ঘটনা জানিব পাৰে তেতিয়া কয় যে মোৰ উদ্দেশ্য এইটো নাছিল; ইয়াৰ পিছত এজন ব্যক্তি তালৈ গৈ তেওঁলোকক এনেকুৱা কৰিবলৈ নিষেধ কৰে। তেওঁ আঁহজৰত (ছাঃ)ৰ সেৱালৈ ওভতি আহি কলে যে তেওঁলোকে মোৰ কথা নামানে। তেতিয়া তেখেত (ছাঃ)য়ে কয় যে তেওঁলোকৰ মূৰত মাটি ঢালি দিয়া অৰ্থাৎ তেওঁলোকক এৰি দিয়া, তেওঁলোকে নিজে নিজেই নীস্তব্ধ হৈ যাব। এজন ব্যক্তিয়ে ইয়াৰ বাহ্যিক অৰ্থ বুজি পাই তেওঁলোকৰ ওপৰত মাটি ঢালিব ধৰিলে, তেতিয়া হজৰত আয়শা (ৰাঃ)য়ে তেওঁক এনেকুৱা কৰাত নিষেধ কৰি কয় যে তুমি কথাটো বুজিয়ে পোৱা নাই।

আল্লামা ইবনে কছিৰৰ কিতাপ আলবদিয়া ওৱান্নাহিয়াত মুতা যুদ্ধত শ্বহীদ সকলৰ কথা উল্লেখ কৰাৰ পিছত লিখিছে যে তেওঁলোকৰ সংখ্যা আছিল বাৰ। কিছুমান বৰ্ণনাত শ্বহীদ সকলৰ ইয়াতোকৈ অধিক বৰ্ণনা কৰা হৈছে। কিন্তু এইটো ডাঙৰ অলৌকিকতা হয় যে দুয়োফালৰ সেনা মুখামুখী হয়, যিসকলে খোদাৰ স্বাৰ্থত যুঁজি আছে তেওঁলোকৰ সংখ্যা আছিল তিনি হাজাৰ আনফালে বিৰোধী সকলৰ সেনাৰ সংখ্যা আছিল দুই লাখ। তথাপি মুছলমান সকল কেৱল বাৰ জন বা অলপ কেইজন শ্বহীদ বৰণ কৰে; আৰু পৌত্তলিক সকলৰ বিশাল সংখ্যা হোৱা সত্ত্বেও শেষ পৰিণতি জাহান্নাম হ'ল।

ইয়াৰ পিছত এটা অভিযানৰ উল্লেখ আছে, এই অভিযানক হজৰত উমৰু বিন আছ (ৰাঃ) কোৱা হয়। এই অভিযান জামাদিচ্ছানি মাহৰ ৮ হিজৰীত হৈছিল। ইবনে ইছহাকৰ বাহিৰে সকলোৱে ইয়াৰ ওপৰত একমত যে এই অভিযান মুতাৰ যুদ্ধৰ পিছত সংঘটিত হৈছিল, মুতাৰ

যুদ্ধ জমাদিল উলা ৮ হিজতৰী তাৰিখত সংঘটিত হৈছিল। এই অভিযানৰ কাৰণ এইটো আছিল যে ৰছুলে কৰিম (ছাঃ)য়ে জানিব পাৰে যে বনু কাজাআৰ এটা দল মদিনাৰ ফালে আক্ৰমণ কৰিবলৈ একগোট হৈ আছে। ইয়াৰ নেতৃত্বৰ বাবে ৰছুলে কৰিম (ছাঃ)য়ে হজৰত উমৰু বিন আছ্ (ৰাঃ)ক ৰাওনা কৰে। তেখেত (ছাঃ)য়ে তেওঁৰ নেতৃত্বত মুহাজিৰিণ আৰু আনছাৰ সকলৰ তিনিশ সদস্যৰ অন্তৰ্গত সেনা বাহিনী প্ৰস্তুত কৰিলে; যাৰ মাজত ত্ৰিশটা অশ্বাৰোহী আছিল, তেখেত (ছাঃ)য়ে হজৰত উমৰু (ৰাঃ)ৰ বাবে এখন বগা ৰঙৰ পতাকা বান্ধে আৰু লগতে এখন ক'লা পতাকা দি দিয়ে। তেখেত (ৰাঃ)য়ে যুদ্ধ সন্দৰ্ভত বিশেষ অভিজ্ঞ ব্যক্তি আছিল; আৰু যুদ্ধৰ কলাৰ বিষয়েও অভিজ্ঞতা ৰাখিছিল। ৰছুলে কৰিম (ছাঃ)য়ে তেওঁক যুদ্ধৰ অভিজ্ঞতাৰ বাবেই আমিৰ নিযুক্ত কৰিছিল।

ইছ্লামী সেনা বাহিনী ৰাওনা হ'ল। তেওঁলোকে ৰাতিৰ সময়ত যাত্ৰা কৰিছিল আৰু দিনৰ ভাগত লুকাই থাকিছিল, ইমানেই যে তেওঁলোকে জুজাম গোষ্ঠীৰ ছালাছল নামৰ অঞ্চলৰ এখন নিজৰাৰ ওচৰ গৈ পায়। এই কাৰণেই এই অভিযানক জাতুল ছিলাছল বুলি কোৱা হয়। নিজৰাৰ কাষলৈ যোৱাৰ পিছত মুছলমান সকলে জানিব পাৰে যে শত্ৰুসকলৰ সেনা বাহিনীৰ সংখ্যা বহুত বেছি। হজৰত উমৰু (ৰাঃ)য়ে অধিক সহায়ৰ বাবে হজৰত ৰাফে বিন মকিছ (ৰাঃ)ক ৰছুলুল্লাহ (ছাঃ)ৰ ফালে পঠিয়ায়। তেখেত (ছাঃ)য়ে হজৰত আবু উবেয়দা বিন জাৰাহ (ৰাঃ)ৰ বাবে পতাকা তৈয়াৰ কৰি দুই শ মুহাজিৰ আৰু আনছাৰ সেনা তেওঁৰ সৈতে ৰাওনা কৰে। হজৰত আবু বক্কৰ (ৰাঃ), হজৰত উমৰ (ৰাঃ)য়েও ইয়াত চামিল আছিল। তেখেত (ছাঃ)য়ে হজৰত আবু উবেয়দা (ৰাঃ)ক ৰাওনা কৰা সময়ত এই উপদেশ দিছিল যে তাতে গৈ পোৱাৰ পিছত হজৰত উমৰুৰ সৈতে সাক্ষাত কৰি তেওঁৰ সেনাৰ সৈতে মিলি যাব, পাৰস্পৰিকভাৱে কোনো মতানৈক্য সৃষ্টি নকৰিব।

বিস্তাৰিত ভাৱে লিখা আছে যে মুছলমান সকলে তাৰ পৰা ৰাওনা হৈ শত্ৰুসকলৰ অঞ্চলত গৈ তেওঁলোকক পৰাজয় কৰি বিজয় লাভ কৰে। মুছলমান সকলে যেতিয়া সেই ঠাইত গৈ পায় য'ত শত্ৰুসকল একগোট হোৱাৰ সংবাদ পাইছিল, শত্ৰুসকলে মুছলমান সকলৰ সংবাদ পাই তাৰ পৰা পলায়ন কৰি ছেদেলি-ভেদেলি হৈ পৰে। মুছলমান সকলে তেওঁলোকৰ পিছানুসৰণ কৰে যাৰ ফলত শত্ৰুসকলৰ এটা সৰু দলৰ সৈতে যুদ্ধ হয়, শত্ৰুসকলৰ ওপৰত আক্ৰমণ চলাই তেওঁলোকক পৰাজিত কৰে আৰু বাকী শত্ৰুসকল তাৰ পৰা পলায়ন কৰে।

আৰু এটা অভিযান যাক হজৰত আবু উবেয়দা বিন জাৰাহ (ৰাঃ) কোৱা হয়। এই অভিযান ৰজব মাহৰ ৭ হিজৰী তাৰিখত সংঘটিত হয়। এই অভিযানৰ আন আন নামো আছে। এই অভিযানক ছায়ফুৰ বাহাৰৰ অভিযান বুলিও কোৱা হয়। ছায়ফুৰ বাহাৰৰ অৰ্থ হৈছে সমুদ্ৰৰ প্ৰান্ত। এই অভিযানত  চাহাবা সকলে বাহৰায়ে আহমৰৰ প্ৰান্তত গৈ অৱস্থান কৰিছিল, সেই

কাৰণে এই অভিযানক ছায়ফুল বাহাৰ কোৰা হয়। সেনাসকলক পাত খোৰা সেনা এই কাৰণেই কোৰা হৈছিল যে এই অভিযানৰ সময়ত এটা সময় এনেকুৰা আহে যে চাহাবা (ৰাঃ) সকলে গছৰ পাত খাবলৈ বাধ্য হৈছিল। এই অভিযানৰ আমিৰ হজৰত আবু উবেয়দা বিন জাৰাহ (ৰাঃ)আছিল। ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁক তিনি শ মুহাজিৰিণ আৰু আনছাৰ চাহাবা (ৰাঃ)ৰ সেনাৰ সৈতে বনু জামায়নাহৰ এটা শাখাৰ ফালে পঠিয়ায়। এই সেনা সকলৰ মাজত হজৰত উমৰ (ৰাঃ)য়ো চামিল আছিল। এই অভিযানৰ কাৰণ এইটো বৰ্ণনা কৰা হয় যে মক্কাৰ কুৰাইশ সকলৰ এটা জনগোষ্ঠী যিসকলে শস্য লৈ সমুদ্ৰৰ প্ৰান্তে প্ৰান্তে ছিৰিয়াৰ পৰা মক্কালৈ গৈ আছিল। এই বাটতে জুমায়হানাহ জনগোষ্ঠীৰ ফালৰ পৰা আক্ৰমণৰ আশংকা আছিল। এইটো ছুলাহ হুদায়বিয়াৰ যুগ আছিল। জুমায়হানাহ আঁহজৰত (ছাঃ)ৰ মিত্ৰ আছিল। সেয়েহে তেখেত (ছাঃ)য়ে বিচক্ষণতাৰে সতৰ্কমূলক ব্যৱস্থা হিচাপে তেওঁলোকৰ ফালে নিৰাপত্তা বাহিনী পঠিয়াইছিল যাতে ছিৰিয়াৰ পৰা অহা কুৰাইশী জনগোষ্ঠীৰ ওপৰত আক্ৰমণ কৰা নহয় আৰু কুৰাইশ সকলে শান্তি আৰু সন্ধিৰ উলংঘা কৰাৰ সুযোগ নাপায়। ইয়াৰ পৰা স্পষ্ট হয় যে এই চাহাবা সকলে কাৰো সৈতে যুদ্ধ কৰাৰ বাবে যোৰা নাছিল, সেই কাৰণে পোন্ধৰ দিনতকৈ অধিক অৱস্থান কৰা সময়ছোৱাত কোনো যুদ্ধৰ কথা উল্লেখ পোৱা নাযায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে পাকিস্তান আৰু হিন্দুস্থানৰ মাজত যুদ্ধ চলি আছে। ইয়াৰ বাবে বহু দোৱা কৰিব যাতে পৰস্পৰৰ মাজত শান্তি আৰু সম্প্ৰীতিৰ বাতাবৰণ সৃষ্টি হয়। কাৰণ যুদ্ধত বৰ্তমান যি অস্ত্ৰ ব্যৱহাৰ হয় ইয়াৰ দ্বাৰা চহৰৰ বাসিন্দা সকল হত্যা হয় আৰু হত্যা হৈয়ে আছে। এতিয়া যুদ্ধৰ নতুন ৰূপ ধাৰণ কৰিছে। গতিকে দোৱা কৰা উচিত যে দুয়ো পক্ষই যেন শান্তি সৃষ্টি কৰাত সন্মতি হয় আৰু ভীষণ ক্ষতিৰ পৰা যেন ৰক্ষা পায়। এই উদ্ধৃতিত এই কথাও মনত ৰখা উচিত যে আজিকালি ছচিয়াল মিডিয়া বা ইণ্টাৰনেটৰ জৰিয়তে, ইলেকট্ৰানিক মিডিয়া, মেছেজে ইয়াৰ ওপৰত স্বাধীনভাৱে মন্তব্য কৰে আৰু নিজৰ ইচ্ছাৰে যি বিচাৰে কৈ দিয়ে, যাৰ লাভ কম আৰু লোকচান বেছি। নিজৰ ফালৰ পৰা এয়া প্ৰকাশ কৰে যে আমি কি বিচাৰো। আহমদীসকলে ইয়াৰ পৰা আঁতৰি থকা উচিত। কাৰণ এই অভিব্যক্তিৰ লাভ কম আৰু লোকচান বেছি। কাৰোবাক বাৰ্তা দিয়াৰ যদি ইমানেই ইচ্ছা থাকে তেন্তে শান্তি আৰু সম্প্ৰীতিৰ বাৰ্তা দিয়ক।

হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ জীৱনৰ অন্তিম সময়ছোৱাত এখন পুস্তক পয়গামে চুলাহ (শান্তিৰ বাৰ্তা) লিখিছে। তাতে তেখেত (আঃ)য়ে শান্তি আৰু সম্প্ৰীতিৰ বাৰ্তা দিছিল। গতিকে প্ৰতিজন আহমদীয়ে মনত ৰখা উচিত আৰু সেই শান্তি আৰু সম্প্ৰীতিৰ বাবে চেষ্টা কৰা উচিত। আল্লাহ তা'লা নিৰীহ সকলক লোকচানৰ পৰা ৰক্ষা কৰক। সম্ভৱত কিছুমান ডাঙৰ শক্তিয়ে ইয়াত হস্তক্ষেপ কৰাৰ প্ৰয়াস কৰি আছে। সেই শক্তিয়ে বিচাৰে যে দুয়ো পক্ষই যুদ্ধ কৰক আৰু দুৰ্বলসকলে তেওঁলোকৰ পৰা অস্ত্ৰ ক্ৰয় কৰক। আল্লাহ তা'লা এই দুষ্টসকলৰ পৰা

নিৰাপদে ৰাখক। এইদৰে পশ্চিমীয়া আৰু মধ্য দেশৰ জনসাধাৰণৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা তেওঁলোকৰ বাবে সুবিধা সৃষ্টি কৰে যেন আৰু নিৰাপত্তাত যেন নিজৰ দেশত বসবাস কৰিব পাৰে। কিন্তু বাহ্যিকভাৱে দেখা গৈ আছে যে শান্তি স্থাপন হোৱাৰ কোনো সম্ভাৱনা নাই; চেষ্টা এয়াই হৈ আছে যে কোনো প্ৰকাৰে তেওঁলোকক ইয়াৰ পৰা উলিওৱা হওঁক, ইয়াতে সকলো শক্তি চামিল হৈ আছে। মুছলিম দেশৰ লোকসকলক আল্লাহ তা'লাই বিবেক বুদ্ধি দান কৰক যাতে ঐক্যমত হ'ব পাৰে। তেওঁলোক যদি ঐক্যমত হৈ যায় তেন্তে বহু সমস্যাৱলীৰ সমাধান হ'ব পাৰিব।

যদি বিশ্বযুদ্ধ আৰম্ভ হয়, কিছুমান লোকসকলৰ আৰু কিছুমান দেশৰ বাসিন্দা সকলৰ এই ধাৰণা ভুল যে তেওঁলোক সুৰক্ষিত থাকিব। সকলোৱে ইয়াৰ কৱলত পৰিব। গতিকে এই ভুল ধাৰণাৰ পৰা সকলোৱে আঁতৰি থকা উচিত। আল্লাহ তা'লা সকলোকে সুৰক্ষিত ৰাখক। অৰ্থাৎ ইয়াৰ সমাধান যিদৰে মই সদায় কৈ থাকো যে কেৱল আল্লাহৰ ফালে অৱনত হ'ব লাগিব। এইটোৱে এটা বাট যিয়ে তেওঁলোকক ৰক্ষা কৰিব পাৰিব; ইয়াৰ বাহিৰে আন কোনো পথ নাই। আল্লাহ তা'লা সকলোকে ইয়াৰ সৌভাগ্য দান কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 9 MAY 2025**

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................

..............................................................................................................

..............................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB